প্ৰগতিশীল মহিলা আলোচনী

# জোনাকী বাট


নৱেম্বৰ, ২০১৪

## ডাইনী হত্যা

## ওৱান ষ্টপ ক্ৰাইছিচ চেণ্টাৰ

## সুকুমাৰী ভট্টাচাৰ্য্য আৰু ঐতিহ্যৰ পুনৰ্বিচাৰ

## আঞ্চলিক ৰাজনীতিৰ সংকট




# কৈলাস সত্যাৰ্থী আৰু মালালা ইউছুফজাই



১৯১৪ চনৰ শান্তিৰ নোবেল বঁটা এনে দুগৰাকী ব্যক্তিলৈ আগবঢ়োৱা হৈছে, যি দেশৰ ভৱিষ্যৎ নাগৰিকসকলক গঢ়ি তোলাৰ বাবে উৎসৰ্গা কৰিছে নিজৰ বৰ্তমানক; প্ৰত্যাহ্বান জনাই আহিছে সন্ত্ৰাসবাদৰ দৰে ভয়াৱহ বিপদক। শিশুৰ অধিকাৰ আৰু কন্যা শিশুৰ শিক্ষাৰ বাটত থকা ভয়ংকৰ বাধা আঁতৰোৱাৰ সংগ্ৰামত নিজকে বিলীন কৰি দিয়া ভাৰতবৰ্ষৰ কৈলাস সত্যাৰ্থী আৰু পাকিস্তানৰ কিশোৰী মালালা ইছুফজাই হ'ল চলিত বৰ্ষৰ শান্তিৰ নোবেল বঁটা প্ৰাপক। উল্লেখযোগ্য যে, সোতৰ বছৰীয়া মালালা হ'ল নোবেল বঁটাৰে সন্মান কৰা লাভ কৰা বিশ্বৰ কণিষ্ঠ ব্যক্তি।

'বচপন বচাও আন্দোলন' নামৰ বেচৰকাৰী সংগঠন এটাৰ মূৰব্বী কৈলাস সত্যাৰ্থীয়ে ১৯৯০ চনৰ পৰা প্ৰায় তিনিটা দশকজুৰি শিশুৰ অধিকাৰৰ বাবে এক শক্তিশালী আন্দোলনৰ গুৰি ধৰোঁতা সত্যাৰ্থীয়ে ইতিমধ্যে ৮০ হাজাৰ শিশুক পুনৰ সংস্থাপন দিছে। শিশুসকলক শ্ৰম শোষণৰ যন্ত্ৰণাদায়ক অৱস্থাৰ পৰা মুক্ত কৰি তেওঁলোকক সোণালী শৈশৱ ওভতাই দিয়াৰ আন্দোলনত আত্মনিয়োগ কৰা কৈলাস সত্যাৰ্থী ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় একাধিক সংগঠনৰ লগত জড়িত। তদুপৰি 'সকলোৰে বাবে শিক্ষা' আন্দোলনৰ সৈতে জড়িত আৰু 'ইউনেস্ক'ৰ লগতো যুক্ত সত্যাৰ্থী ইন্টাৰনেচনেল চেন্টাৰ অন চাইল্ড লেবাৰ আৰু ইয়াৰ আন্তৰ্জাতিক স্তৰৰ পৰিষদৰ লগতো যুক্ত। সত্যাৰ্থীয়ে এই বঁটা প্ৰাপ্তিক গণতন্ত্ৰৰ জয় বুলি অভিহিত কৰিছে।

পাকিস্তানৰ কিশোৰী মালালা ইউছুফজাই উগ্ৰপন্থী তালিবানসকলৰ হিংসা আৰু কন্যা শিশুৰ শিক্ষা তথা অধিকাৰৰ ক্ষেত্ৰত বাধা দিয়া কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছিল বুজন হোৱাৰ পৰাই। পাকিস্তানৰ স্বাত ভেলীৰ পৰাই তেওঁৰ সংগ্ৰাম আৰম্ভ হৈছিল। হিংসাৰ বিৰুদ্ধে মালালাই কবিতা লিখিছিল আৰু ছদ্ম নামেৰে বি বি চি যোগে প্ৰচাৰ কৰিছিল। ইয়াৰ জৰিয়তে তালিবানসকলৰ হিংসাত্মক নীতি বিশ্বত জনাজনি হৈ পৰে। ২০১২ চনৰ ৯ অক্টোবৰত তালিবান সন্ত্ৰাসবাদীৰ আক্ৰমণত গুলীবিদ্ধ হৈ গুৰুতৰভাৱে আহত হোৱাৰ পিচত তেওঁ বৃটেইনত চিকিৎসাধীন হয়। মালালা মৃত্যুৰ দুৱাৰদলিৰ পৰা উভতি আহে। শিশুৰ অধিকাৰ আৰু নাৰী শিক্ষাক সামাজিক ইছ্যু হিচাপে লৈ জীৱনক তুচ্ছ কৰি প্ৰতিবাদত নামি পৰা মালালা হ'ল নতুন প্ৰজন্মৰ সাহস আৰু প্ৰেৰণাৰ প্ৰতীক। ভাৰত-পাকিস্তানৰ সীমাত সম্প্ৰতি চলি থকা উভয় দেশৰ মাজৰ যুদ্ধ সদৃশ পৰিৱেশৰ শীঘ্ৰে অন্ত পেলোৱাৰ ক্ষেত্ৰত মালালাই নোবেল বঁটা লাভ



কৰাৰ পিচত প্ৰচাৰ মাধ্যম যোগে উদ্যোগ লোৱাৰ কথা ঘোষণা কৰিছে। কিন্তু পৰিতাপৰ বিষয় যে, মালালাই এই সৰ্বোচ্চ সন্মান লাভ কৰাৰ পিচতেই পাক-তালিবানে মালালাৰ বিৰুদ্ধে পুনৰ হুংকাৰ দি কৈছে যে, তালিবানী সংগঠনটো এতিয়াৰ পৰা মালালাৰ বিৰুদ্ধে অধিক কঠোৰ হ'ব। উগ্ৰপন্থী সংগঠনটোৱে ইয়াকো কৈছে যে, তেওঁলোকে ইতিমধ্যে মাৰণাস্ত্ৰত শান দিছে।

জোনাকী বাটৰ তৰফৰ পৰা কৈলাস সত্যাৰ্থী আৰু মালালা ইউছুফজাইলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ।

প্ৰকাশৰ ৩২ বছৰ

# জোনাকী বাট

১১ শ বছৰ ■ ১ম সংখ্যা ■ নৱেম্বৰ,২০১৪

সম্পাদনা উপদেষ্টা
*ড° অনিমা গুহ*

সম্পাদিকা
*জুনু বৰা*
(অবৈতনিক)

সম্পাদনা সহযোগী
*ৰাজু বৰুৱা*
*অঞ্জু বৰকটকী*
(অবৈতনিক)

বেটুপাত পৰিকল্পনা ঃ *পদ্ম সিংহ*
আলোক চিত্ৰ ঃ *ঋত্বিক*

ঠিকনা ঃ
অনিল ভৱন,
সাগৰিকা পথ,
ৰাধাগোবিন্দ বৰুৱা পথ
গুৱাহাটী-৭৮১০২৪
ফোন ঃ ৯৪৩৫১৪৫৮৮৯
**e-mail :**
**jonakibat@yahoo.co.in**
**jonakibat83@gmail.com**

ছপা ঃ স্বৰাজকম্পু প্ৰিন্ট,
দক্ষিণ শৰণীয়া,
গুৱাহাটী-৭

মূল্য ঃ ২০ টকা

# সূচীপত্ৰ

সম্পাদকীয় ৪

❐ *আলোচনা/ নিবন্ধ /পৰ্যবেক্ষণ ঃ*

সুখবৰ নোপোৱা হ'লো ● *ড° অনিমা গুহ* ৫

দেৱযানী কাণ্ডৰ প্ৰসংগত ● *অঞ্জু বৰকটকী* ১০

অসুৰক্ষাৰ আতংক ● *গীতা উপাধ্যায়* ১১

সুকুমাৰী ভট্টাচাৰ্য্য আৰু ঐতিহ্যৰ পুনৰ্বিচাৰ
● *প্ৰসেনজিৎ চৌধুৰী* ১২

অগপৰ পুনৰুত্থান সম্ভৱ নে? ● *নবেন বৰা* ১৪

নাৰী আন্দোলনৰ অগ্ৰণী নেত্ৰী মীনা আগৰৱালা ঃ
ব্যক্তিত্ব আৰু সাংগঠনিক বিশিষ্টতা ● *ৰাজু বৰুৱা* ১৮

নিৰ্যাতিতা মহিলাৰ বাবে 'ওৱান ষ্টপ ক্ৰাইছিচ চেন্টাৰ' ২১

উপনিবেশ, সংস্কাৰ আন্দোলন আৰু সবলা নাৰী
● *ড° সাবিত্ৰী শইকীয়া বৰুৱা* ২৫

ডাইনীৰ কল্পিত কাহিনী আৰু বাস্তৱ ঃ কিছু অভিজ্ঞতা
● *ডা° নাট্যবীৰ দাস* ৩২

ঋণং কৃত্বা ঘৃতং পিবেৎ— কথাষাৰ কাৰ?
● *বিশ্বজিৎ এম মায়াঙ* ৩৬

চাহ জনগোষ্ঠীয় সমাজখন আগুৱাই নিয়াত শিক্ষিতা মহিলাৰ ভূমিকা
● *মনোমতী কুৰ্মী* ৩৭

বিবাহ প্ৰসঙ্গত
● *মূল ঃ সুকুমাৰী ভট্টাচাৰ্য।* অনুবাদ ঃ *অঞ্জনা চৌধুৰী* ৪৪

❐ *গতি-বিধি ঃ* ● *জুনু বৰা* ১৫

❐ *প্ৰতিবেদন ঃ* অসম-নগালেণ্ড সীমান্ত ভ্ৰমণ ৭

❐ কবিতা ঃ *হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি / ৰাণী গোহাঁই / ড° জয়জ্যোতি গোস্বামী / গীতাঞ্জলি সোণোৱাল / ড° ৰৌচন আৰা বেগম / ৰীতা গোস্বামী বৰ্মন / কনকলতা দত্ত / মাধুৰী কলিতা চৌধুৰী / ননী বৰুৱা গগৈ / জিন্টি গগৈ সৌকাধৰা / ৰীতামণি বৰদলৈ* ২৮

❐ *গল্প ঃ*

কালিন্দীৰ অধিকাৰ ● *পুণ্য দেৱী* ২৩

পাগুোৱা বক্স
● মূলঃ *সন্তোষ মণ্ডল।।* অনুবাদ ঃ *চেনিচম্পা মহন্ত* ৩৯

❐ *সংস্কৃতি*

বলিউডৰ চিনেমাৰ তাৰল্যপ্ৰীতি ● *ভূষণজ্যোতি সন্দিকৈ* ৪৭

❐ বা-বাতৰি ❐ প্ৰাসঙ্গিক ❐ গ্ৰন্থ ❐ সোঁৱৰণ আদি

# উপনিবেশ, সংস্কাৰ আন্দোলন আৰু সবলা নাৰী

❑ ড° সাবিত্ৰী শইকীয়া বৰুৱা

অৱতৰণিকা ঃ

ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ প্ৰথমছোৱা ভাৰতৰ আৰ্থ-সামাজিক-ৰাজনৈতিক পটভূমি প্ৰধানকৈ দুটি দিশত উল্লেকযোগ্য। এফালে ব্ৰিটিছৰ ঔপনিৱেশিক শাসন-শোষণৰ জ্বলন্ত পৰিৱেশ, এনে শোষণৰ অংগ হিচাপে শুভ বোধোদয়ৰ প্ৰচেষ্টাত কৰা নানান সামাজিক-সাংস্কৃতিক সংস্কাৰ অভিযান যাক 'নৱজাগৰণ' বুলিও আখ্যায়িত কৰা হয়। আনফালে ভাৰতৰ সনাতন ঐতিহ্যবাহী ধাৰা, যাৰ সামাজিক শিপা গোড়ামি, ৰাজনৈতিক শিপা পৰাধীনতা, আৰ্থিক শিপা সামন্ততন্ত্ৰ। নৱজাগৰণৰ প্ৰভাৱত যি সামাজিকবাৱে সংস্কাৰবাদী ৰাজনৈতিকভাৱে স্বাধীনতা আন্দোলনমুখী আৰু আৰ্থিকবাৱে ব্ৰিটিছৰ দ্বাৰা উৎখাতিত হৈ নতুন 'মধ্যবিত্ত শ্ৰেণী'ৰ সৃষ্টিত সহায়ক হৈছিল।

বিতৰ্কিত যদিও 'নৱজাগৰণ' শব্দটি সংস্কাৰ আন্দোলনৰ ৰূপ লৈ ই সতীদাহ প্ৰথা লোপ, বিধৱা বিৱাহ, বহু বিবাহ ৰোধ, বাল্য বিবাহ ৰোধ, স্ত্ৰী শিক্ষাৰ সূচনা, দেৱদাসী প্ৰথা বিলোপ আদি নাৰী উদ্ধাৰ বা নাৰী মংগল বা নাৰী সংস্কাৰ বা নাৰী কল্যাণ কাৰ্য সাধন কৰিলে।

ভিতৰেদি ঔপনিৱেশিক শাসন-শোষণৰ তেজাল পৰিৱেশেৰে শৈক্ষিক-সামাজিক-সাংস্কৃতিক সংস্কাৰ উদ্দীপনাৰে প্ৰভাৱগ্ৰস্ত ভাৰতীয় তথা অসমীয়াৰ ওপৰত বাহিৰেদি জাপিদিয়া হ'ল পুৰাতন ঐতিহ্যৰ বাহক এক সনাতন নক্সা। এনে দ্বিমুখী বোজাৰ দ্বাৰা প্ৰভাৱিত নাৰী ক্ষতিগ্ৰস্ত হৈছিল অধিক সনাতন ঐতিহ্যৰ পৰীক্ষা-নিৰীক্ষাত অতিষ্ঠ সংস্কাৰ আন্দোলনৰ দ্বাৰা মুক্তিৰ বাট বিচাৰি পোৱা নাৰীয়ে শিক্ষিতা, আত্মনিৰ্ভৰশীল আৰু সংগঠনমুখী হৈ লক্ষ্য সাধনত উপনীত হ'বলৈ আগুৱাত পৰম্পৰাগ্ৰস্ত সমাজ ব্যৱস্থা পুনৰ নতুন ৰূপত শিক্ষিত চামৰ মাজেদি আমদানি কৰা হ'ল।

**সহমৰণ প্ৰথা লোপৰ প্ৰচেষ্টা ঃ**

ঋকবৈদিক যুগত সহমৰণ হ'বলৈ যোৱা বিধৱা নাৰীক উভতি আহিবলৈ অৰ্থাৎ পুনৰ বিবাহৰ বাবে জনোৱা আহ্বান দশম মণ্ডলৰ ১৮/৪ আৰু ১৮/৮ সুক্তত পোৱা যায় যদিও পৰৱৰ্তী বেদ, উপনিষদ, পুৰাণ, মহাকাব্য, সংস্কৃত সাহিত্য, গাথা আদিত ভৰি থকা অজস্ৰ উদাহৰণেৰে প্ৰাচীন আৰু মধ্যযুগীয় পৰম্পৰা, যাক 'হিন্দু ঐতিহ্য' বুলিও কোৱা হয়, সেই পৰম্পৰাই সহমৰণক সুদৃঢ় কৰিলে। কিন্তু ব্ৰিটিছে ৰক্ষণশীল হিন্দুত্বত আঘাত হনাতকৈ সাম্ৰাজ্যৰ নিকপকপীয়া শাসনত প্ৰতিঘাতৰ সৃষ্টি হ'ব পৰা আশংকাত ইয়াক অমানবীয় আৰু ধৰ্মীয় শীতল মগজুৰ হত্যা অথবা সামাজিক আধিপত্যই অনা আত্মহত্যাৰ বিৰুদ্ধে কোনো বিধিগত ব্যৱস্থা লোৱা নাছিল। কিন্তু হিন্দু শাস্ত্ৰৰলগতে ইউৰোপীয় শিক্ষা, উদাৰপন্থী চিন্তাধাৰা আৰু কাৰ্যপ্ৰণালীও শিক্ষিত অভিজ্ঞ পণ্ডিত ৰামমোহন ৰায়ৰ সামাজিক সংস্কাৰমূলক অনুষ্ঠানৰ আত্মীয় সভাৰ উদ্যোগত উদাৰপন্থী মধ্যবিত্তৰ সহযোগত প্ৰাচ্যতত্ত্ববিদ, অধ্যাপক উইলচনৰ সহমতত লৰ্ড বেণ্টিকৰ হস্তক্ষেপত ১৮২৯ খ্ৰীষ্টাব্দৰ ৪ ডিচেম্বৰত 'সতীদাহ' বে-আইনী আৰু ফৌজদাৰী আদালতত দণ্ডযোগ্য অপৰাধ বুলি ঘোষিত হয়।[১] যদিও ৰক্ষণশীল হিন্দুৰ দ্বাৰা প্ৰিভি-কাউন্সিলত ইয়াৰ বিৰুদ্ধে আপীল কৰা হয়।[২] কিন্তু ৰামমোহনে ওলোটা আপীল কৰাৰ পিছত ১৮৩২ খ্ৰীষ্টাব্দৰ ১১ জুলাইত ইয়াক নাকচ কৰা হয় আৰু সৰ্বতোপ্ৰকাৰে 'সতীদাহ প্ৰথা' ৰোধ সম্ভৱ হৈ উঠে।[৩] মানুহ হিচাপে বিধৱা নাৰীৰ জীয়াই থকাৰ এনে ন্যূনতম আৰু প্ৰাথমিক মৌন অধিকাৰ আইনী স্বীকৃতিৰে প্ৰাপ্ত হ'ল।

**বিধৱা বিবাহৰ প্ৰচলন প্ৰচেষ্টা ঃ**

ঋকবৈদিক যুগত বিধৱা নাৰীৰ দেওৰৰ লগত অথবা অন্যজনৰলগত বিয়া হোৱা প্ৰথা প্ৰচলিত হোৱাৰ উদাহৰণ দশম মণ্ডলৰ ১৮/৪, ৮, ৪০/২ সূক্তত পোৱা যায়।

'যিয়ে তোমাৰ হাতত ধৰিছে, তেওঁ তোমাৰ গৰ্ভত সন্মান আনিব। তেওঁৰ অভিমুখে আগবাঢ়া' (১০/১৮/৮)। আকৌ — 'হে নাৰী সংসাৰলৈ ফিৰি আহা, গমন কৰা, তুমি যাৰ ওচৰত শয়ন কৰিবলৈ গৈছা তেওঁ মৃত। গুচি আহা। যিজনে তোমাৰ পাণিগ্ৰহণ কৰি গৰ্ভধাৰণ কৰাইছিল (মাতৃৰূপে) সেই পতিৰ পত্নী হৈ যিবোৰ কৰ্তব্য আছিল সেইবোৰ কৰা হৈছে' (১০/১৮/৮)। উপমাত পোৱা যায় 'বিধৱা নাৰীয়ে যিদৰে দেওঁৰৰ শয্যাশায়িনী হয়...' (১০/৪০/২)[৪]।

পৰৱৰ্তী প্ৰাচীন সাহিত্য অথবা মধ্যযুগীয় সাহিত্যত সি প্ৰায় বিৰল। বহু বিবাহ, বাল্য বিবাহৰ পৰিণতিত বিধৱা, বাল বিধৱা নাৰীয়ে চুলি খুৰোৱা, বগা কাপোৰ পিন্ধা, আ-অলংকাৰ বৰ্জন কৰা, মাটিত শোৱা, দিনত এবাৰ মাত্ৰ নিৰামিষ ভোজন কৰা, মুহুদি, সুগন্ধি দ্ৰব্য আদি ত্যাগ কৰা, অম্বুবাচী তিথি অনাহাৰে পালন, একাদশী ব্ৰত আদি কেবাটাও উপবাস, তিথি পালন, বিলাসী আমোদ-প্ৰমোদ, উৎসৱ-পাৰ্বণ আদিৰ পৰা দূৰৈত থকা আদিকে মানুহৰ স্বাভাৱিক জীৱন ধাৰণ প্ৰক্ৰিয়াত নপৰা হিন্দু ঐতিহ্যক বাহিকা শক্তিৰূপে সমাজত নিৰ্ণীত। নাৰীৰ জৈৱ-যৌন দিশৰ ওপৰত পুৰুষৰ নিৰংকুশ কৰ্তৃত্ব স্থাপন অথবা বিবাহ বন্ধনৰ চিৰন্তন শিকলিৰে বান্ধি ৰখাৰ এয়া এক কৌশল মাত্ৰ। যুৱতী বিধৱাই পৰিয়ালৰ ভিতৰত অথবা বাহিৰত নানা প্ৰলোভন,

ব্যভিচাৰ, ভ্ৰূণ হত্যা, শিশু হত্যা, গৰ্ভপাত আদি প্ৰচেষ্টাৰ দ্বাৰা নিৰ্যাতিতা আৰু অকাল মৃত্যুমুখত পতিত হয়। নতুবা আৰ্থিক দৈন্য আৰু সামাজিক নিৰাপত্তাহীনতাই বেশ্যাৰ পথ ল'বলৈ বাধ্য কৰা ? আনহাতে আটাইতকৈ নিৰ্মম গৰ্ভপাত সম্ভৱ নহ'লে গৰ্ভৱতী বিধৱাই আত্মহত্যা কৰে নতুবা পৰিয়ালৰ মান ৰক্ষাৰ্থে পিতৃ-মাতৃ-স্বজন অন্যজনে তেওঁক হত্যাও কৰে। এই অনুষ্ঠানক 'ঠাগুাসতী' নামে জনা যায়।[৫] ৰামমোহন ৰুই যোৱা সহমৰণ ৰোধ, বাল্য বিবাহ ৰোধ, বিধৱা বিবাহৰ প্ৰচলন আদি সংস্কাৰ ভুঁইক সাৰ-পানীৰ যোগান ধৰি সিবোৰক আইনগতভাৱে লোৱা সিদ্ধান্তৰ ফচল সৃষ্টি কৰে বিদ্যাসাগৰে। অৱশ্যে ডিৰোজিত্তঅ' শিষ্য ৰেডিকেলপন্থী ইয়ং বেংগল দলৰ প্ৰতিবাদ সভা[৬] আৰু বংগবাসিনী কেইগৰাকীমান নিৰ্যাতিতা মহিলাই বিধৱা বিবাহ, স্ত্ৰী শিক্ষা আদিৰ দাবীত প্ৰশ্ন তোলে— স্ত্ৰীৰ মৃত্যুৰ পিছত স্বামীয়ে পুনৰবাৰ বিয়া কৰিব পাৰে যদি স্বামীৰ মৃত্যুৰ পিছত স্ত্ৰীৰ সেই অধিকাৰ কিয় নাথাকে আৰু সভ্যদেশীয় স্ত্ৰীসকলৰ যদি বিদ্যাধ্যয়নৰ সুবিধা থাকে তেওঁলোকৰ কিয় নাথাকে?[৭] ভিন্ন সচেতন গণতান্ত্ৰিক উদাৰনৈতিক লোকৰ উদ্দীপনা আৰু সাহসেও এই ক্ষেত্ৰত উল্লেখযোগ্য অৱদান যোগালে বিধৱা বিবাহ প্ৰচলনত।

১৮৫৫ চনত 'বিধৱা বিবাহ প্ৰচলিত হোৱা উচিতনে'— এই নামত প্ৰথম পুস্তিকা প্ৰকাশ কৰি সেই বছৰেই বিধৱা বিবাহ বিধিবদ্ধ কৰাৰ বাবে ভাৰত চৰকাৰৰ ওচৰত প্ৰায় এহেজাৰ লোকৰ চহীযুক্ত এটি আবেদন পঠায়।[৮] মনুসংহিতাৰ বিৰোধী পৰাশত সংহিতাত স্বামী নিৰুদ্দেশ হ'ল, মৃত্যু হ'লে, ক্লীৱ হ'লে, সংসাৰ ধৰ্ম পৰিত্যাগ কৰিলে অথবা পতিত হ'লে স্ত্ৰীসকলৰ পুনৰ বিবাহ শাস্ত্ৰবিহিত বুলি দেখুৱাই মহাস্বামী বশিষ্ঠৰ একেসুৰীয়া বক্তব্যক দাঙি ধৰে বিদ্যাসাগৰে। দেশবাসীৰ প্ৰতি বিদ্যাসাগৰে কাতৰভাৱে আবেদন জনায় এইবুলি— "যি দেশৰ পুৰুষ জাতিৰ দয়া নাই, ধৰ্ম নাই, ন্যায়-অন্যায়, বিচাৰ নাই..... আৰু যেন সেই দেশে হতভগা অবলা জাতি জন্মগ্ৰহণ নকৰে। হেৰা অৱলাগণ। তোমালোকে কি পাপৰ ফলত ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰিছা, ক'বলৈ ভাষা নাই।[৯] অৱশেষত বিৰুদ্ধবাদীৰ বহু চেষ্টাৰ বাধাকো নেওচি ১৮৫৫ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত পঠোৱা দ্বিতীয়খন একে নামৰ পুস্তিকা প্ৰকাশ কৰাৰ প্ৰায় এবছৰৰ পিছত ১৮৫৬ চনৰ জুলাইত বিধবা বিবাহ আইন পাছ হয়। যদিওবা সহবাস স্মৃতি আইন সম্বন্ধে আৰু বিধৱা বিবাহ আইনত ত্ৰুটি আৰু অসম্পূৰ্ণতা[১০] কিছু আছিল তথাপি ই মুছলমান লোক আৰু সাধাৰণ শ্ৰেণী লোকৰ মাজতো প্ৰভাৱী আৰু আদৰণীয় আছিল।[১১]

এনেদৰে ঈশ্বৰচন্দ্ৰ, মালবাৰী, নৰমদ, ৰাণাডে, নটৰাজনক প্ৰধান অৱদানেৰে সংস্কাৰমূলক প্ৰচেষ্টাৰ পৰিণতিত বিধৱা বিবাহ প্ৰচলিত হ'ল ভাৰতৰ কৌলিন ব্ৰাহ্মণ শ্ৰেণীৰ মাজত। অৱশ্যে সমাজৰ বাহিৰে বৃহৎ শ্ৰেণীৰসাধাৰণ লোকৰ মাজত বিধৱাৰ সামাজিক অৱস্থান পৰ্যন্ত বুলিও জনা যায়।[১২]

**বহু বিবাহ ৰোধৰ প্ৰচেষ্টা ঃ**

বহুবিবাহ প্ৰথাৰ বিষম পৰিণতিয়ে অকালতে বিধৱা হোৱা শিশু কন্যাৰ পৰা আৰম্ভ কৰি যুৱতীলৈকে সন্মুখীন হোৱা ভয়াৱহ সামাজিক-আৰ্থিক-নিৰাপত্তাহীনতাই সৃষ্টি কৰা অকালমৃত্যু, আত্মহত্যা, স্বাভাৱিক যৌনক্ষুধা নিবৃত্তিৰ অৱদমিত ৰোগাৱস্থা অথবা প্ৰলোভিত হোৱাই বেশ্যাগমনৰ পথ সুগম কৰালৈ চাই ৰামমোহন, বিদ্যাসাগৰ, ডিৰোজিঅ'পন্থী আৰু ব্ৰাহ্মণ সমাজৰ ৰথী-মহাৰথীসকলে এইবোৰ বন্ধ কৰিবৰ বাবে আন্দোলন চলায়। ৰাজা ৰামমোহন ৰায়ে কোনো ব্যক্তিৰ এগৰাকী স্ত্ৰী থকাটোও যদি দ্বিতীয় পত্নী গ্ৰহণৰ প্ৰতি তেওঁ ইচ্ছুক হ'লে শাস্ত্ৰবৰ্ণিত দোষ যদি প্ৰথমা স্ত্ৰীগৰাকীৰ আছে সেয়া হাকিমৰ ওচৰত প্ৰমাণিত হ'লেহে তেওঁ নতুন বিবাহৰ অনুমতি লাভ কৰিব পাৰিব। এই নিয়ম চৰকাৰে বাধ্যতামূলক কৰিলে বহু বিবাদৰ নিবাৰণ হ'ব আৰু নাৰী জাতিৰ দুৰ্দশাও লাঘৱ হ'ব।[১৩] ৰামমোহন ৰায়ৰ দ্বাৰা প্ৰভাৱিত বহু সচেতন লোক আৰু বিদ্যাসাগৰেও এই প্ৰথা ৰোধ কৰিবৰ বাবে চৰকাৰৰ ওচৰত আবেদন জনায়। অৱশ্যে বহু বিবাহ নিবাৰণ পন্থী বহুতেই শিক্ষাৰ প্ৰসাৰ আৰু উন্নত সমাজ চিন্তাৰ প্ৰভাৱত আইনী ব্যৱস্থা নোলোৱাকৈয়ে বহু বিবাহ ৰোধ হোৱাত গুৰুত্ব দিছিল। ঊনবিংশ শতিকাৰ শেষৰ তিনিটা দশকত বহু বিবাহৰ বিৰুদ্ধে জনমত ক্ৰমশঃ প্ৰবল হৈ উঠে। বহু বিবাহ শাস্ত্ৰনুমোদিত নহয়— এই যুক্তিৰ পৰিৱৰ্তে তেতিয়াৰ পৰা সামাজিক ন্যায় বিচাৰৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰা হয়। ব্ৰহ্ম আন্দোলন বা নব্য হিন্দুত্ববাদ উভয়েই এইক্ষেত্ৰত সক্ৰিয় আছিল। এইবোৰ আন্দোলন, শিক্ষাৰ প্ৰসাৰ, সচেতনতাৰ বিকাশ ইত্যাদি বহু কাৰণত বহু বিবাহ ক্ৰমে দুৰ্বল হৈ পৰে।[১৪] অৱশেষত অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্তন, পাৰিবাৰিক কাঠামোৰ পুনৰ্বিন্যাস, সামাজিক মূল্যবোধৰ পৰিৱৰ্তন ইত্যাদি বহু বিবাহ ব্যৱস্থাৰ প্ৰতিকূলে ক্ৰিয়াশীল হোৱাত এই কু-প্ৰথা সমাজৰ পৰা কমি গৈ আৰু কিছুমান বিচ্ছিন্ন ঘটনা সত্বেও অৱশেষত ই প্ৰায় অপ্ৰচলিত হৈ যায়।[১৫]

**বাল্য বিবাহ ৰোধৰ প্ৰচেষ্টা ঃ**

ৰক্তৰ বিশুদ্ধতা ৰক্ষাৰ নিশ্চিত উপায় হিচাপে নাৰীৰ যৌনতাক কঠিন শৃংখলাৰে শৃংখলিত কৰাৰ উদ্দেশ্যে বাল্য বিবাহৰ প্ৰচলন পুৰণি কালৰে পৰা মধ্যযুগ আৰু আধুনিক যুগতো চলি অহা অমানৱীয় প্ৰথাটি বন্ধ কৰিবলৈ ৰামমোহন, বিদ্যাসাগৰ প্ৰমুখ্যে বংগৰ ডিৰোজিঅ'পন্থী আৰু লগতে বৰেণ্য সচেতন লেখকসকলৰ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। শাৰীৰিক-মানসিকভাৱে শিশু কন্যাই খেলা-পঢ়া বয়সতে দ্বিগুণ, ত্ৰিগুণ কেতিয়াবা বহুগুণ বয়স্কৰ লগত বিবাহিত হৈ অকাল যৌনতা আৰু অকাল সংসাৰপক্কতাৰে গৃহধৰ্ম পালনৰ প্ৰয়োজনীয় যন্ত্ৰমাত্ৰ হৈ উঠে। ১৮৭২ খ্ৰীঃত বিশেষ বিবাহ বিধি অনুযায়ী কেৱল বাল্য বিবাহ বৈধ বুলিয়ে ঘোষিত নহয় বহু বিবাহ দণ্ডনীয় অপৰহাধ বুলিও এই আনৰ দ্বাৰা গণ্য কৰা হয়।[১৬] বিধৱা বিবাহ আৰু অসবৰ্ণ বিবাহে স্বীকৃতি লাভ কৰে আৰু বিবাহ অনুষ্ঠান ধৰ্মীয় বিধি বিচাৰৰ পৰা মুক্ত

নহয়। বিয়াত কন্যাৰ নিম্নতম চৌধ বছৰ আৰু পাত্ৰৰ ওঠৰ বছৰ নিৰ্দ্ধাৰিত হয়। কিন্তু এই আইন প্ৰচলিত প্ৰধান ধৰ্ম সম্প্ৰদায় হিন্দু, ইচলাম, খ্ৰীষ্টান, ইহুদী (জুৰথুখষ্ট্ৰ) কোনো ধৰ্মতে বিশ্বাসী নোহোৱা মানুহৰ বাবেই আছিল।

প্ৰবল বিৰোধিতাৰ মাজেৰে ১৮৮৪ খ্ৰীষ্টাব্দত বোম্বাইৰ বিখ্যাত সমাজ সংস্কাৰক বি. এম. মালাবাৰ বাল্য বিবাহ ৰোধ আৰু বিধৱা বিবাহ প্ৰচলনৰ ওপৰত ১৯২৯ চনতহে অনিষ্টকাৰী বাল্য বিবাহ প্ৰতিৰোধ অধিনিয়মখনে (Child Marrage Registration) ছোৱালীৰ বিয়াৰ বয়স চৌধ্য আৰু ল'ৰাৰ ওঠৰ বছৰলৈ নিৰ্দ্ধাৰিত কৰি দিলে।[১৭] অৱশ্যে পূৰ্বতে ১৮৯১ খ্ৰীঃৰ ১৯ মাৰ্চত বাৰ বছৰৰ কম বয়সৰ ছোৱালীৰ লগত সহবাস স্বামীৰ পক্ষে দণ্ডনীয় বোলা সহবাস সম্মতি আইনৰ সমালোচনা কৰি বিদ্যাসাগৰে কন্যাৰ ঋতুমতী হোৱাৰ পিছতহে সহবাস সম্মতি আইনখন পাছ কৰাৰ ওপৰত মন্তব্য দিয়াৰ কাৰণ কন্যাভেদে ঋতু কাল ১২ বছৰৰ ওপৰতো হ'ব পাৰে বুলি কৈছিল। সেয়ে মালাবাৰৰ নেতৃত্বত ১৪ বছৰ বিয়াৰ বয়স ছোৱালীৰ বাবে আৰু ল'ৰাৰ ওঠৰ বছৰ কৰি উক্ত অধিনিময়খন নিৰ্দ্ধাৰিত হ'ল।[১৮]

**স্ত্ৰী শিক্ষা প্ৰচাৰৰ প্ৰচেষ্টা ঃ**

প্ৰাচীন যুগতে ঋষিকা, বিদুষী পণ্ডিত নাৰীৰ বিপৰীতে মধ্যযুগত শিক্ষা-সংস্কৃতি-সাহিত্যত নাৰীৰ অৱস্থান ক্ষেত্ৰ বিশেষতহে আছিল যদিও অষ্টাদশ শতিকাত ই প্ৰায় অপ্ৰচলিত হৈ যায়। বাল্য বিবাহ শাসিত আৰু অন্তঃপুৰবাসিনী নাৰীৰ জীৱনত শিক্ষাৰ অভাৱ আৰু সুযোগহীনতা সৰ্বশ্ৰেণীৰ নাৰীৰ ক্ষেত্ৰত ঘটিছিল। নিম্ন শ্ৰেণীৰ নাৰীৰ বাহিৰে ধৰ্মীয় অথবা বিষয় সংক্ৰান্ত সীমিত শিক্ষা নাৰী বিশেষে পাইছিল যদিও ই কোনো কৰ্ম সংস্থাপনৰ বাবে নাছিল। মিছনেৰীৰ আগমনে ব্ৰিটিছ চৰকাৰৰ সহযোগিতাত পৰৱৰ্তী কালছোৱাত বিদ্যালয়-মহাবিদ্যালয়ত শিক্ষা গ্ৰহণেৰে কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰা নাৰী আঙুলি মূৰত লেখিব পৰা আছিল, কিয়নো আৰ্থ-সামাজিক, সাংস্কৃতিক অৱৰোধ অতিক্ৰম কৰা প্ৰায় দুঃসাধ্যই আছিল বিদ্যোৎসাহী নাৰী অথবা উদ্যোক্তাৰ বাবে। ইচলামধৰ্মী লোকৰ মাজতো বহু বিবাহৰ বিপক্ষে প্ৰতিবাদ ঘোষিত হোৱাৰ পিছতে শিক্ষা বঞ্চিত অন্তঃপুৰৰ নিৰ্যাতিতা নাৰীৰ উদ্ধাৰৰ বাবে নওশেৰ আলিখা ইউচুপজী, মোজামেল হক, নজিবৰ ৰহমান আদি সচেতন লেখক-বুদ্ধিজীৱীৰ প্ৰচেষ্টা উৎসাহজনক। বেগম ৰোকেয়া সাখাওৱাত হুছেইনৰ নাৰী শিক্ষা, নাৰী জাগৰণ, বিদ্যালয় প্ৰতিষ্ঠা, বিভিন্ন সংস্কাৰমূলক কাৰ্য এই সময়ৰ যুগান্তকাৰী আহ্বান আৰু হাতে-কামে কাৰ্যকৰী আছিল।[২০] তেওঁ কৈছিল — 'বুকু চপৰাই কোৱা মা, আমি পশু নহয়, কোৱা ভনীটি, আমি আচবাব নহয়, কোৱা কন্যা। ৰাশি ৰাশি অলংকাৰ ৰূপে লোহাৰ পেৰাত থকাৰ বস্তু নহয়, সকলোৰে একেমুখে কোৱা— আমি মানুহ। আৰু কাৰ্যত দেখুওৱা যে আমি সৃষ্ট জগতৰ শ্ৰেষ্ঠ অংশৰ অৰ্দ্ধেক ৰূপ।[২১]

ব্ৰিটিছ শাসনৰ কালছোৱাত মুচলিম সমাজত নাৰী মুক্তি ভাবনাৰ সৰ্বপ্ৰেক্ষা উজ্জ্বল প্ৰবল দীপ্ত পথিকৃৎ হ'ল বেগম ৰোকেয়া সাখাওৱাৎ হুছেইন। কেৱল ধৰ্মশিক্ষাৰ পৰিৱৰ্তে মুছলমান নাৰীসকলৰ শিক্ষাৰ আধুনিকীকৰণ 'পৰ্দা' নামৰ অজ্ঞানতা' আৰু জড়তাৰ মোহৰ উচ্ছেদ, পুৰুষৰ ন্যায় উন্নত অৱস্থাত' নাৰী অধিকাৰ অৰ্জন, পুৰুষশাসিত সমাজ ব্যৱস্থা আৰোপিত বন্ধনবোৰ ছিন্ন ইত্যাদী দাবীৰে মোল্লা-মৌলবীসকলৰ বিৰুদ্ধে প্ৰায় 'জেহাদ' ঘোষণা কৰা বগম ৰোকেয়া মুছলিম তথা সমগ্ৰ বংগ নাৰী সমাজৰ বাবে বিংশ শতাব্দীৰ দ্বিতীয় দশক সংগ্ৰামত অৱতীৰ্ণ হয়।[২২] আৰু তাৰ পৰিণতিত সাখাওৱাৎ মেমোৰিয়েল বিদ্যালয় স্থাপন। ১৯১৯ খ্ৰীঃত মহিলা ট্ৰেইনিং স্কুল স্থাপন, ১৯১৬ খ্ৰীঃত নাৰী সমিতি স্থাপন ইত্যাদি স্ত্ৰী শিক্ষা প্ৰচাৰৰ অনুষ্ঠানৰ জন্ম হয়।

ব্ৰিটিছ শাসন কালছোৱাত ভাৰতীয় জনসাধাৰণৰ প্ৰগতিশীল দলটোৰ ৰাজনীতি, ধৰ্ম, শিক্ষা আৰু সামাজিক ক্ষেত্ৰত গণতান্ত্ৰিক নীতিসমূহৰ বাস্তৱত ৰূপ দিয়াৰ প্ৰচেষ্টাৰ কাল। এই নীতিৰ নামতে স্বৰাজ দাবী কৰা হৈছিল, বৰ্ণভেদ আৰু অসমতাৰ বিলোপ সাধনৰ পক্ষে অভিমত প্ৰকাশ কৰা হৈছিল, ধৰ্মৰ ক্ষেত্ৰত বংশগত পুৰোহিতালি প্ৰথাৰ একচেটিয়া অধিকাৰক আক্ৰমণ কৰা হৈছিল আৰু অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু শৈক্ষিক ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ সমঅধিকাৰ কথা ঘোষণা কৰা হৈছিল।[২৩]

স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত ব্ৰিটিছ মিছনেৰীৰ বাহিৰেও ব্ৰাহ্ম সমাজ, আৰ্য সমাজ, ৰামকৃষ্ণ মিছন, ডেনিছ আমেৰিকান, জাৰ্মান মিছনেৰী আৰু প্ৰগতিশীল পাৰ্টি সমাজ আদিও বাটকটীয়া আছিল।

**নটীবৃত্তি ৰোধৰ প্ৰচেষ্টা ঃ**

ভাৰতত হিন্দু-মুছলমান নিৰ্বিশেষে প্ৰচলিত পৰ্দাপ্ৰথা আৰু মন্দিৰত নটীবৃত্তি, কন্যা শিশুহত্যা আদি কু-প্ৰথাৰ অৱসান ঘটাবলৈ ৰাজা ৰামমোহন ৰায়কে ধৰি এচাম সংস্কাৰবাদী পুৰুষ আগবাঢ়ি আহিছিল। সামাজিক জীৱন উন্নীত আৰু পুত্ৰীক শিক্ষাদান আৰু মাতৃ হিচাপে কৰ্তৃত্ব আৰু দায়িত্ব পালনৰ বাবে পৰ্দা প্ৰথাক আঁতৰাবলৈ এইসকল সংস্কাৰকে যুঁজিছিল। অৱশেষত ড° মুখুলক্ষী ৰেড্ডি আৰু অন্যান্য সংস্কাৰকৰ নেৰা-নেপেৰা আন্দোলনৰ ফলস্বৰূপে ১৯২৫ চনত অপ্ৰাপ্তবয়স্কৰ লগত যাতায়াত কৰা অপৰাধ বুলি দেৱদাসীৰ ক্ষেত্ৰত নিষেধাজ্ঞা প্ৰযোজ্য কৰি দিলে।[২৪] অৱশেষত ধৰ্মীয় গোড়ামি, বৈধ বেশ্যাবৃত্তি, অতীজৰ দেৱবেশ্যা, নৃত্যকলা বিশাৰদ নাৰীৰ যৌন শোষণ বন্ধ হ'ল। কন্যা শিশুহত্যাৰোধৰ পৰৱৰ্তী কালত অপৰাধ হিচাপে গণ্য হৈছিল ১৮৬৯ চনত বিবাহ-বিচ্ছেদৰ অধিকাৰ, ১৮৭৪ চনত বিবাহিত নাৰীৰ সম্পত্তিৰ অধিকাৰ আইন, ১৯২৩ চনত আইন ব্যৱসায়ত ভৰ্তি হোৱাৰ অধিকাৰ, ১৯২৫ চনত ভাৰতীয় উত্তৰাধিকাৰ আইন আদিৰে নাৰী অৱমাননাৰ উদ্ধাৰৰ বাবে অধিকাৰ কিছুমান ৰক্ষিত হ'ল।[২৫]

(বাকীছোৱা আৰু টোকা অহা সংখ্যাত)



মাৰ্চ ২০১৫ চন পৃ. ৪৭